# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-Aug-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয়ৰ পৰা বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছে। ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই তাত থকা বৃন্দাবনী বস্ত্ৰ চৰ্তসাপেক্ষে অসমলৈ ১৮ মাহৰ বাবে প্ৰেৰণ কৰা সন্দৰ্ভত আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অক্টোবৰ-নৱেম্বৰত লণ্ডনলৈ যাব। সকলো ঠিকে থাকিলে ২০২৭ চনত ১৮ মাহৰ বাবে ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই অসমলৈ বৃন্দাবনী বস্ত্ৰ প্ৰেৰণ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি গুৱাহাটীত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কোচ ৰজা নৰনাৰায়ণৰ অনুৰোধত শ্ৰীমন্ত শংকৰদেৱে প্ৰস্তুত কৰা বৃন্দাবনী বস্ত্ৰখন অসমৰ পৰা তিবৱত হৈ লণ্ডন, ফ্ৰান্স আদি বিভিন্ন স্থানলৈ যায়। বৃন্দাবনী বস্ত্ৰখন অসমৰ মানুহে চাব পৰা বাবে প্ৰচেষ্টা চলাই থকা হৈছে বুলি তেওঁ সংবাদমেলত উল্লেখ কৰে। শেহতীয়াকৈ সংগ্ৰহালয় কৰ্তৃপক্ষই ৰাজ্য চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৃন্দাবনী বস্ত্ৰখন ৰাখিব পৰাকৈ সংগ্ৰহালয় স্থাপন কৰিলেহে ১৮ মাহৰ বাবে বস্ত্ৰখন আনিব পৰা যাব বুলি তেওঁ কয়। এইক্ষেত্ৰত জে এছ ডব্লিউ গ্ৰুপে অসমত সংগ্ৰহালয় নিৰ্মাণ কৰিব বুলি তেওঁ কয়। সংগ্ৰহালয় নিৰ্মাণৰ বাবে গ্ৰুপটোক খানাপাৰাত থকা ৰেচম বিভাগৰ এবিঘা মাটি আৱণ্টন দিয়া হৈছে বুলি তেওঁ কয়। বৃন্দাবনী বস্ত্ৰখন প্ৰদৰ্শনৰ পাছত ঘূৰাই পঠিওৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষক নিশ্চয়তা প্ৰদান কৰিব লাগিব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

বৃন্দাবনী বস্ত্ৰক লৈ মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছতে বৰপেটা সত্ৰত আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ গোপাল আতা তথা মথুৰাদাস বুঢ়া আতাৰ তত্বাৱধানত বস্ত্ৰখন বৈ উলিওৱা হৈছিল। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে ৰাজ্য চৰকাৰক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক আজি স্কুটী প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমূহীয়া কেডাৰ হিচাপে কাম কৰা মহিলাসকলক স্কুটী বিতৰণ কৰাৰ লগতে ক্লাষ্টাৰ পৰ্যায়ৰ সংস্থালৈ ৫১ খন ব্যৱসায় বাহন প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী জীৱিকা সখীক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব বুলি  ঘোষণ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ২০ হাজাৰৰো অধিক জীৱিকা সখী, কৃষি সখী, বেংক সখী আৰু অন্য সামূহীক কৰ্মীসকলে আত্মসহায়ৰ গোটসমূহৰ অগ্ৰগমী যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিৰ লগতে ভালে সংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কাম-কাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইম্ছ গুৱাহাটীত সৰ্বভাৰতীয় ৰেডিঅ'লজী অভিৰৰ্তনত অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেওঁ এইম্ছক সৰ্বাত্মক স্বাস্থ্য সেৱাৰ গুৰি ধৰিবলৈ আহ্বান জনায়। এইম্ছ গুৱাহাটীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনগণক নিৰন্তৰ সেৱা আগবঢ়াই আহিছে বুলি তেওঁ কয়। যুৱক-যুৱতীসকলে আধুনিক চিকিৎসা শিক্ষাৰে উজ্জীৱিত হোৱাৰ লগতে অঞ্চলটোত দেশৰ উন্নয়নৰ অন্যতম কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। উল্লেখযোগ্য যে দেশৰ সকলো এইম্ছত একেধৰণৰ চিকিৎসা সেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে এই অভিৰৰ্তনৰ আয়োজন কৰা হয়। দেশৰ বিভিন্ন আগশাৰীৰ চিকিৎসককে ধৰি ৰেডিঅ'লজীৰ লগত জড়িত বিভিন্ন উদ্ভাৱকে এই অভিৰৰ্তনত অংশ লয়।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পহিলা ছেপ্তেম্বৰত নিয়মীয়া সময়ত পাঠদান আৰম্ভ হ'ব। কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ সৈতে হোৱা আলোচনা মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অৱশ্যে গৰমৰ প্ৰকোপ একে থকাৰ বাবে বিদ্যালয়সমূহত পুৱাৰ সমাবেশ শ্ৰেণীকোঠাৰ ভিতৰত সম্পন্ন কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিছন সমন্বয়ক দীপিকা চৌধুৰীয়ে  সকলো অধ্যক্ষ, প্ৰধান শিক্ষকলৈ নিৰ্দেশনা জাৰি কৰিছে। লগতে বিদ্যালয়সমূহত পৰ্যায়ত খোৱা পানী যোগান ধৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

মেঘালয়ৰ সোণাপুৰত হোৱা ভূমিস্খলৰ বাবে শিলচৰ-শ্বিলং-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে যাতায়াত বন্ধ হৈ পৰিছে। পথটোত শ শ যানবাহন আৱদ্ধ হৈ আছে। পূব জয়ন্তীয়া পাৰ্বত্য প্ৰশাসনে পথটো যাতায়তৰ বাবে মুকলি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে পথ মুকলি নোহোৱালৈকে চালকসকলক বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

সমাপ্ত